Total No. of Printed Pages—3

## 6 SEM TDC ASMH (CBCS) C 13

**2023**

( May/June )

ASSAMESE

( Core )

Paper : C–13

**( Assamese Prose )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) অসমীয়া চুটিগল্পৰ জনক কোন?

(খ) পূৰবী বৰমুদৈয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰা গ্ৰন্থখনৰ নাম লিখাঁ।

(গ) প্ৰথম অসমীয়া উপন্যাসখনৰ নাম কি?

(ঘ) অসমীয়া সাহিত্যৰ ইতিহাসত উপন্যাস সম্ৰাট বুলি কাক আখ্যা দিয়া হয়?

(ঙ) 'ইয়াৰুইঙ্গম' মানে কি?

(চ) গুণাভিৰাম বৰুৱাই ৰচনা কৰা প্ৰথমখন অসমীয়া সামাজিক নাটকৰ নাম কি?

(ছ) সৌৰভ কুমাৰ চলিহাৰ প্ৰকৃত নাম কি?

(জ) হোমেন বৰগোহাঞিক অৱসাদৰ পিটনিৰ পৰা উদ্ধাৰ কৰা ব্যক্তিজন কোন?

২। (ক) অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশৰ বিষয়ে এটি টোকা লিখাঁ। ৫+১০=১৫

*অথবা*

(খ) গল্পকাৰৰ চমু পৰিচয় দাঙি ধৰি 'সখা দামোদৰ' গল্পটোত প্ৰতিফলন ঘটা অসমীয়া গ্ৰাম্য সমাজৰ চিত্ৰ সম্পৰ্কে আলোচনা কৰাঁ। ৫+১০=১৫

৩। (ক) 'মনোমতী' উপন্যাসৰ কাহিনীটো চমুকৈ বৰ্ণনা কৰি উপন্যাসখনত বুৰঞ্জীৰ প্ৰভাৱ সম্পৰ্কে আলোচনা আগবঢ়োৱাঁ। ৮+৭=১৫

*অথবা*

(খ) 'ইয়াৰুইঙ্গম' উপন্যাসত বৰ্ণিত নগাসকলৰ সমাজজীৱন সম্পৰ্কে এটি বিশ্লেষণ দাঙি ধৰাঁ। ১৫





৪। (ক) আত্মজীৱনী কাক বোলে? আত্মজীৱনী হিচাপে বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ মূল্যায়ন কৰাঁ। ৩+১২=১৫

*অথবা*

(খ) ইন্দিৰা মিৰিৰ আত্মজীৱনীত বৰ্ণিত 'নেফাৰ বিচিত্ৰ অভিজ্ঞতা' অংশৰ বিষয়বস্তুৰ বিষয়ে আলোচনা আগবঢ়োৱাঁ। ১৫

৫। (ক) ভ্ৰমণ-সাহিত্য ৰূপে হেম বৰুৱাৰ 'ইজৰাইল'ৰ মূল্যাংকন কৰাঁ। ১২

*অথবা*

(খ) হেম বৰুৱাৰ ভ্ৰমণকাহিনী 'ইজৰাইল'ত ইহুদীসকলৰ কোনবোৰ দিশ প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ।

৬। (ক) ৰেইনল্ড প্ৰাইচৰ জীৱনে হোমেন বৰগোহাঞিৰ কৰ্মজীৱনত কেনে প্ৰভাৱ পেলাইছিল, 'জীৱনৰ জয়গান' প্ৰবন্ধৰ আধাৰত আলোচনা কৰাঁ। ১৫

*অথবা*

(খ) দীনেশচন্দ্ৰ গোস্বামীৰ জীৱন আৰু সাহিত্যকৰ্মৰ চমু পৰিচয় দাঙি ধৰি গঁড় ৰক্ষাৰ ক্ষেত্ৰত 'অপাৰেছন বেডিঅ' ৰাইনো'ৰ ভূমিকা সম্পৰ্কে বিশ্লেষণ আগবঢ়োৱাঁ। ৮+৭=১৫

★★★